**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-11-2024 **Time :** 0755 Hrs.

## **Assamese Morning Bulletin**

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে ৰাজ্যৰ মাজুলী আৰু যোৰহাট সংযোগী দলং তথা যোৰহাটৰ পৰা ডিব্ৰুগড় সংযোগী ৰাষ্ট্ৰীয় ঘাইপথচোৰা উন্নীতকৰণৰ বাবে বিশেষ তৎপৰতা গ্ৰহণ কৰিছে। তেওঁ ৪ মাহ ধৰি নিৰ্মাণকাৰ্য বন্ধ হৈ থকা যোৰহাট আৰু মাজুলী সংযোগী দলংখনৰ নিৰ্মাণকাৰ্য অহা সপ্তাহৰ পৰাই পুনৰ আৰম্ভ কৰাৰ আশ্বাস দিয়ে। ৰাজ্যসভাৰ সাংসদ তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীৰ নেতৃত্বত এটা প্ৰতিনিধিৰ দলে কালি যোৰহাট আৰু মাজুলী সংযোগী দলঙৰ বন্ধ হৈ থকা নিৰ্মাণকাৰ্য পুনৰ আৰম্ভ কৰাৰ সংক্ৰান্তত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক সাক্ষাৎ কৰে। উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামী, সাংসদ প্ৰদান বৰুৱা, মাজুলীৰ বিধায়ৰ ভূৱন গামকে ধৰি কেইবাগৰাকীও নেতা মন্ত্ৰীগৰাকীৰ সাক্ষাৎকালত উপস্থিত থাকে।

আমাৰ আগৰ বাতৰিতে যোৰহাটৰ পৰা ডিব্ৰুগড় সংযোগী ৰাষ্ট্ৰীয় ঘাইপথচোৰা উন্নীতকৰণৰ কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক পত্ৰযোগে অৱগত কৰা বুলি উল্লেখ কৰা হৈছিল। পত্ৰখনত উল্লেখ কৰা অনুসৰি এই প্ৰকল্পটোৰ কাম ক্ষিপ্ৰ কৰি তোলাৰ বাবে ১১জন ঠিকাদাৰক দায়িত্ব দিয়া হৈছে। এই প্ৰকল্পৰ অধীনত যান-বাহন পাৰ হৈ যোৱাৰ বাবে ৯টা অধঃপথ বা আণ্ডাৰপাছ, পথচাৰীৰ বাবে ছটা আণ্ডাৰপাছ আৰু এখন উৰণ সেঁতুৰ লগতে ভালেমান আন্তঃগাঁথনি নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে এই পদক্ষেপৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী গাডকাৰীক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে পথটোৰ বাকী থকা কামখিনি শীঘ্ৰেই সম্পূৰ্ণ হ'ব বুলি আশা প্ৰকাশ কৰে।

০০০০০০

মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত দৰিদ্ৰ সীমাৰেখাৰ তলৰ শিক্ষাৰ্থীৰ বাবে চৰকাৰে নামভৰ্তিৰ মাচুল ৰেহাইৰ ব্যৱস্থা কৰিছে। সেই অনুসৰি চৰকাৰী আৰু প্ৰাদেশীকৃত বিদ্যালয়ৰ একাদশ আৰু দ্বাদশ শ্ৰেণীৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ শিক্ষাৰ্থীলৈ বিনামূলীয়া শিক্ষাৰ সুবিধা আগবঢ়োৱা হ'ব। আজি দিনৰ ১১ বজাত দিছপুৰৰ জনতা ভৱনৰ সন্মিলন কক্ষত আয়োজিত এটা অনুষ্ঠানত মুঠ ২ লাখ ৫০ হাজাৰ ৮৯৯ গৰাকী শিক্ষাৰ্থীলৈ বছৰেকীয়া অনুদান প্ৰদান কৰা হ'ব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থাকিবলগীয়া আজিৰ অনুষ্ঠানত কলা, বিজ্ঞান, বাণিজ্য আৰু বৃত্তিমূলক শাখাৰ শিক্ষাৰ্থীলৈ এই অনুদান আগবঢ়োৱা হ'ব। মাচুল ৰেহাইৰ ব্যৱস্থা কাৰ্যকৰী কৰাৰ বাবে বাজেটত ১৮০০ লাখ ধনৰ আৱণ্টন দিয়া হৈছে।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই কিউ আৰু ক'ডযুক্ত নতুন পানকাৰ্ডৰ প্ৰচলনত সিদ্ধান্ত গ্ৰহণ কৰিছে। কৰদাতাক অধিক সুবিধা দিয়া আৰু ব্যৱসায়ীৰ কাম-কাজ সুচল কৰাৰ বাবেই মন্ত্ৰীসভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। কেন্দ্ৰীয় তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি মন্ত্ৰীসভাত এই সিদ্ধান্তৰ কথা ঘোষণা কৰি কয়, যে PAN

কাৰ্ডৰ দ্বিতীয় পৰ্যায়ৰ এই নতুন প্ৰকল্পটোৰ বাবে এহেজাৰ ৪৩৫ কোটি টকা ব্যয় কৰা হ'ব। তেওঁ লগতে কয়, যে কিউ আৰু ক'ডযুক্ত PAN কাৰ্ডৰ ব্যৱস্থা জনসাধাৰণৰ তথ্য আৰু বেংক একাউণ্ট সুৰক্ষিত ৰখাৰ লগতে বিত্তীয় জালিয়াতিৰ আশংকা দূৰ হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে এই কিউ আৰু ক'ড থকা PAN কাৰ্ড উলিয়াবলৈ সুকীয়াকৈ কোনো মাচুল বা ধন ব্যয় কৰাৰ প্ৰয়োজন নহয়।

০০০০০০০

কাজিৰঙাত দ্বাদশ আন্তঃৰাষ্ট্ৰীয় মেলা কালিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। আজি দ্বিতীয় দিনাৰ কাৰ্যসূচীত ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু, কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ পৰ্যটন মন্ত্ৰীসকল উপস্থিত থকাৰ কথা। উদ্যোক্তাসকলে জানিবলৈ দিয়া মতে পুৱা ৯ বজাৰ পৰ্যটন মেলাখনৰ আনুষ্ঠানিক উদ্বোধনী পৰ্ব অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে দিনৰ ১১ বজাত মেলাস্থলীত এখন সংবাদমেলৰো আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে এই মেলাত অংশ ল'বলৈ অহা শতাধিক বিদেশী পৰ্যটকে কালি চৰাইদেউ মৈদাম পৰিদৰ্শন কৰে। পৰ্যটকসকলে মৈদামত উপস্থিত হৈ টাই-আহোম পৰম্পৰাগত ফুৰালুঙৰ লগতে অসমীয়া খাদ্যাভাস তথা সংস্কৃতিৰ আভাস লয়। ইয়াৰ পাছতে পৰ্যটকৰ দলটোৱে শিৱসাগৰত উপস্থিত হৈ ৰংঘৰৰ লগতে আহোম কীৰ্তিস্তম্ভসমূহ পৰিদৰ্শন কৰে আৰু নিশা কাজিৰঙাত উপস্থিত হয়। পৰ্যটন মেলাখনত দেশ-বিদেশৰ চাৰি শতাধিক প্ৰতিনিধিৰ সন্মুখত প্ৰদৰ্শনৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহে থলুৱা সামগ্ৰীৰ প্ৰদৰ্শনীৰো আয়োজন কৰিছে।

০০০০০০০

তিনিচুকীয়া জিলাৰ মাকুম পৌৰসভাৰ অন্তৰ্গত সকলো ব্যৱসায়িক প্ৰতিষ্ঠানৰ নামফলকত অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। অসমীয়া ভাষাত নামফলক ডাঙৰকৈ লিখাৰ লগতে অন্যান্য ভাষাত সৰু আখৰেৰে লিখিব লাগিব। অহা ৩১ ডিচেম্বৰৰ পৰা ব্যৱসায়িক প্ৰতিষ্ঠানৰগৰাকীয়ে এই নিৰ্দেশ মানিব লাগিব। মাকুম পৌৰসভাই এখন জাননীযোগে এই কথা প্ৰকাশ কৰিছে।

০০০০০০

**সমাপ্ত**